**GOVERNMENT OF ASSAM**
**FISHERY DEPARTMENT: DISPUR: GUWAHATI-6**

No.FISH.13/2026/6 Dated Dispur the 24th July, '2026

From : Under Secretary to the Govt. of Assam
Fishery Department &
Nodal Officer

To : The Secretary,
Assam Legislative Assembly, Dispur

Subject : Submission of reply / materials to the **Starred Assembly Question No.232 to be asked by Shri Deepak Kumar Das, Hon'ble MLA**

Ref. : Starred Assembly Question No.232

Sir,

With reference to the subject cited above, I am directed to submit herewith the required 150 copies of cyclostyled reply to the **Starred Assembly Question No.232 to be asked by Shri Deepak Kumar Das, Hon'ble MLA, on 27/07/2026**.

Answer is uploaded in the website "neva.gov.in/Home/NeVA" of Assam Legislative Assembly.

This is for favour of your kind information and necessary action.

Enclo: As stated above.

Yours faithfully,

Under Secretary to the Govt. of Assam
Fishery Department

24/07/2026

# অসম বিধান সভা

## তৰাযুক্ত প্ৰশ্ন নং:২৩২

## উত্তৰ দিয়া তাৰিখ: ২৭/০৭/২০২৬

বিষয়:মাছ ধৰা নিষিদ্ধকালত মাছমৰীয়া পৰিয়ালসমূহ আৰ্থিক সংকটৰ সম্মুখীন হোৱা সম্পৰ্কে।

বিধায়কঃ শ্ৰী দীপক কুমাৰ দাসঃ

মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) মাছ ধৰা নিষিদ্ধকালত মাছমৰীয়া পৰিয়ালসমূহ গুৰুতৰ আৰ্থিক সংকটৰ সম্মুখীন হোৱা হেতুকে আৰ্থিক সহায় আগবঢ়োৱাৰ উদ্দেশ্যে চৰকাৰে কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদিহে কৰিছে জনাব।

(খ) মাছমৰীয়া পৰিয়ালসমূহৰ বাবে বিশেষ জীৱিকা ভাট্টা, বিকল্প কৰ্মসংস্থাপন, দক্ষতা বিকাশ, স্ব-নিয়োজন বা অন্য কোনো কল্যাণমূলক আঁচনি ৰূপায়ণ কৰাৰ বাবে চৰকাৰে কোনো পৰিকল্পনা গ্ৰহণ কৰিছে নেকি ? যদিহে কৰিছে জনাব।

উত্তৰঃ

মাননীয় মীন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা নীলিমা দেৱী মহোদয়াই উত্তৰ দিবঃ

**ক)** ভাৰত চৰকাৰৰ প্ৰধান মন্ত্ৰী মৎস্য সম্পদ যোজনা (PMMSY) আঁচনিৰ অধিনত অসম চৰকাৰৰ মীন বিভাগে মাছ ধৰা নিষিদ্ধ কালত মাছমৰীয়া সকলৰ নিৰাপত্তাৰ বাবে ৩০০০ টকাকৈ এককালীন অৰ্থ সাহায্য প্ৰদান কৰি আহিছে। বিগত ৫ বছৰত এই আঁচনিৰ জৰিয়তে উপকৃত হোৱা হিতাধীকাৰীৰ সংখ্যা তলত উল্লেখ কৰা হ'ল-

| ক্ৰমিক নং | বিত্তীয় বৰ্ষ | হিতাধীকাৰীৰ সংখ্যা |
|---|---|---|
| ১ | ২০২০-২১ | ২০০০০ |
| ২ | ২০২১-২২ | ২১০০০ |
| ৩ | ২০২২-২৩ | ২১০০০ |
| ৪ | ২০২৩-২৪ | ২১০০০ |
| ৫ | ২০২৪-২৫ | ২১০০০ |

**খ)** জীৱিকাৰ বাবে মীনখণ্ডত জড়িত সকলো লোকৰ কাৰণে জনকল্যাণমূলক আঁচনি হিচাপে ভাৰত চৰকাৰৰ সমূহীয়া দুৰ্ঘটনা বীমা আঁচনি(GAIS) ৰূপায়ণ কৰি থকা হৈছে।বৰ্তমান এই আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ২ লাখ ।

অসম দক্ষতা বিকাশ অভিযান মিছনৰ পৰা পোৱা তথ্য অনুসৰি তেওঁলোকৰদ্বাৰা বিভিন্ন (চৰকাৰী আৰু ব্যক্তিগত) প্ৰশিক্ষণ প্ৰতিষ্ঠানত হ্ৰস্বম্যাদি দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰি অহা হৈছে। এই প্ৰশিক্ষণ সমূহ শ্ৰেণীকোঠাৰ প্ৰশিক্ষণতে সীমাবদ্ধ নাৰাখি নিজাকৈ কৰ্মসংস্থাপিত হোৱাত প্ৰেৰনা যোগায়। অসম দক্ষতা বিকাশ অভিযানৰদ্বাৰা মীন বিভাগৰ অন্তৰ্গত বিষয়সমূহত দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ তথ্য **পৰিশিষ্ট "ক"**ত উল্লেখ কৰা হ'ল।

নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকৰ পৰা পোৱা তথ্য অনুসৰি মাছমৰীয়া পৰিয়ালৰ বাবে সুকীয়া আঁচনি নাথাকিলেও, ইয়াৰ অধীনস্থ **৪৫ খন চৰকাৰী**, **৭৯ খন বেচৰকাৰী** আৰু **২৬ খন PPP mode** ত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (ITI) ৰ জৰিয়তে যুৱক-যুৱতীসকলে প্ৰশিক্ষণ লৈ নিয়োগ বা স্ব-নিয়োজনৰ সুবিধা ল'ব পাৰে।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান (ASRLM)-ৰ পৰা পোৱা তথ্য অনুসৰি তেওঁলোকে মহিলা কৃষকসকলৰ দক্ষতা বিকাশ আৰু জীৱিকা উন্নয়নৰ উদ্দেশ্যে বিভিন্ন জীৱিকাভিত্তিক পদক্ষেপ গ্ৰহণ কৰিছে। মৎস্যভিত্তিক জীৱিকাৰ ক্ষেত্ৰত, অমৃত উদ্যোগৰ অধীনত মৎস্য পালন কাৰ্যত নিয়োজিত ১৭,৪৬৯ গৰাকী মহিলা কৃষকক বৈজ্ঞানিক মৎস্য পালন সম্পৰ্কীয় প্ৰযুক্তিগত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

লগতে, ২০২৬–২৭ বিত্তীয় বৰ্ষত ১০,০০০ গৰাকী মহিলা কৃষকক একেধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

আনহাতে, গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানে (RSETI) নিৰ্ধাৰিত যোগ্যতাৰ (অৰ্থাৎ ১৮ বছৰৰ পৰা ৫০ বছৰ বয়সৰ শিক্ষিত) যুৱক-যুৱতীসকলক তেওঁলোকৰ সামাজিক শ্ৰেণী নিৰ্বিশেষে স্থানীয় চাহিদা আৰু উপলব্ধ সুযোগৰ ভিত্তিত প্ৰশিক্ষণ প্ৰদান কৰে। বিত্তীয় বৰ্ষ ২০২৬–২৭ত বৰ্তমানলৈকে RSETI আঁচনিৰ অধীনত মীন পালন (Pisciculture) বৃত্তিত মুঠ ৪১৫ জন প্ৰাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

বিকল্প দক্ষতা বিকাশৰ বাবে মাছমৰীয়া পৰিয়ালসমূহৰ যুৱক যুৱতীসকলে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা ৰূপায়িত দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল্য যোজনা **(DDU-GKY)** আৰু RSETI আঁচনিদুখনৰ সুবিধা গ্ৰহণ কৰিব পাৰে। ইয়াৰ জৰিয়তে অসমত বছৰি **47,700** গৰাকী যুৱক যুৱতীক বিভিন্ন বিকল্প প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা আছে। তেনে বিকল্প দক্ষতাসমূহ হৈছে - কাঠফুলা খেতি, পশু পালন, গাহৰি পালন, কুকুৰা পালন, পাচলি খেতি, নাৰ্চাৰি, মম প্ৰস্তুত, ধূপকাঠি প্ৰস্তুত, ফুলৰ খেতি, বাণিজ্য, ৰূপ চৰ্চা, খুচুৰা বিক্ৰী, খাদ্য প্ৰস্তুতকৰণ, চিকিৎসা সহায়ক, চিলাই মেচিন অপাৰেটৰ আদি। এই দক্ষতা বিকাশৰ জৰিয়তে নিয়োজন আৰু স্বনিয়োজনৰ সুবিধা আছে।

(উত্তৰসমূহ পৰিশিষ্টসহ বিধানসভাৰ ৱেবচাইত “neva.gov.in/Home/NeVA” ত আপলোদ কৰা হ’ল।)

*****

<u>**পৰিশিষ্ট - ‘ক’**</u>

অসম দক্ষতা বিকাশ অভিযানৰদ্বাৰা মীন বিভাগৰ অন্তৰ্গত তলত উল্লেখ কৰা বিষয়সমূহত দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

i. Fisheries Extension Associate
ii. Fish Seed Grower
iii. Aqua Culture Worker

<u>Details of the Trained Candidates</u>

| Course Name | District | Scheme | Trained | Assessed | Placed |
|---|---|---|---|---|---|
| Aqua Culture Worker | Biswanath | Placement Linked Skill Development Training (PLSDTP) | 203 | 226 | 226 |
| | Kamrup | | 60 | 60 | 60 |
| | Lakhimpur | | 60 | 59 | 57 |
| | Morigaon | | 43 | 40 | 34 |
| | Nagaon | | 145 | 145 | 140 |
| | Sribhumi | | 120 | 120 | 85 |
| Fish Seed Grower | Biswanath | | 30 | 30 | 23 |
| | Dhubri | | 85 | 85 | 20 |
| | Goalpara | | 55 | 25 | 18 |
| | Nalbari | | 25 | 25 | 24 |
| Fisheries Extension Associate | Hojai | | 125 | 97 | 93 |
| **Grand Total** | | | **951** | **912** | **780** |

**২০২৬-২৭ বিত্তীয় বৰ্ষত** বিত্তীয় সাহাৰ্য অনুমোদন অনুসৰি তলত উল্লেখ কৰা আঁচনিৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতী সকলক দক্ষতা পাঠ্যক্ৰমৰ সকলো বিষয়ৰ লগতে মীনবিভাগৰ অন্তৰ্গত বিষয় সমূহতো দক্ষতাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হব।

1. Placement Linked Skill Development Training program (PLSDTP) – Short Term Training (STT).
2. PMKVY (Pradhan Mantri Kaushal Vikas Yojana) 4.0 – STT.
3. Others – subject to financial approval.